BIKALI COLLEGE LIBRARY

*Total number of printed pages–3*

**14 (ASM 3016)**

**2024**

# ASSAMESE

Paper : ASM–3016

***(Assamese Novel)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*৯ নং আৰু যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা।*

১। স্বাধীনতাৰ পূৰ্বৱৰ্তীকালত ৰচিত অসমীয়া উপন্যাসৰ ধাৰাকেইটিৰ আভাস দি এই ধাৰাৰ কি কি উপন্যাস ৰচিত হৈছে আলোচনা কৰা। ১২

২। ৰজনীকান্ত বৰদলৈৰ 'ৰহদৈ লিগিৰী'ত বামাচাৰী তান্ত্ৰিক পন্থা, যোগ সাধনা আৰু বৈষ্ণৱ ধৰ্মতত্ত্বৰ বৰ্ণনাই উপন্যাসখনিক অলৌকিক-প্ৰধান কৰি তুলিছে নেকি বিচাৰ কৰা। ১২

*Contd.*

BIKALI COLLEGE LIBRARY

৩। নদীকেন্দ্রিক অসমীয়া উপন্যাসৰ ধাৰাটোত নদীৰ লগত মানুহৰ সম্পৰ্কৰ ঘনিষ্ঠতা কেনেদৰে ৰূপায়ণ কৰিছে *যিকোনো এখন* উপন্যাসৰ যোগেদি আলোচনা কৰা। ১২

৪। "জীৱনৰ বাট'ত উপন্যাসৰ দৰে কাহিনী বা প্লটে নিটোল ৰূপ পৰিগ্ৰহ কৰা নাই" — 'সেউজী পাতৰ কাহিনী' প্ৰসঙ্গত কৰা এই মন্তব্য কিমানখিনি গ্ৰহণযোগ্য বিচাৰ কৰা। ১২

৫। ভূপেন্দ্ৰনাথ ভট্টাচাৰ্যৰ 'মৰুদ্যান' আৰু দেৱব্ৰত দাসৰ 'ধূসৰতাৰ কাব্য' উপন্যাস দুখনত উত্তৰ আধুনিকতাবাদী উপন্যাসৰ সমল কিমানখিনি পোৱা যায় বিশ্লেষণ কৰা। ১২

৬। মামণি ৰয়ছম গোস্বামীৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসত ৰক্ষণশীল হিন্দু সমাজৰ ধৰ্মীয় ৰীতি-নীতিৰ নামত চলা অমানৱীয়, কদৰ্য ৰূপটো কেনেদৰে প্ৰতিফলন ঘটিছে উদাহৰণসহ আলোচনা কৰা। ১২

৭। আধুনিকতাবাদী উপন্যাসৰ লক্ষণ আৰু বৈশিষ্ট্যসমূহৰ লগত সঙ্গতি ৰাখি এনে প্ৰকৃতিৰ *যিকোনো এখন* অসমীয়া উপন্যাসৰ বিশ্লেষণ আগবঢ়োৱা। ১২

৮। প্ৰব্ৰজনমূলক উপন্যাস হিচাপে দেৱেন্দ্ৰনাথ আচাৰ্যৰ 'জংগম'ৰ এটি সমীক্ষা আগবঢ়োৱা। ১২

BIKALI COLLEGE LIBRARY

৯। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) হোমেন বৰগোহাঞিৰ উপন্যাসৰ ভাষা

(খ) মিছনেৰীসকলে ৰচনা কৰা উপন্যাসধৰ্মী কাহিনী

(গ) বনগঞাগিৰি

(ঘ) গতিশীল আৰু স্থিৰ চৰিত্ৰ

(ঙ) *এশ বছৰৰ অসমীয়া* উপন্যাস

(চ) শিথিলবন্ধী আৰু কঠোৰবন্ধী উপন্যাস